# REGIONAL NEWS UNIT
## AKASHVANI, GUWAHATI
0000000000

**Date :** 06-08-2024
**Time :** 1715 Hrs

# *Assamese Evening Bulletin*
- - - - - - - - - - - - - - - - - - - - - -

বিদেশ মন্ত্ৰী ড০ এছ্ জয়শংকৰে আজি সংসদৰ উভয় সদনৰ বৈঠকত চুবুৰীয়া ৰাষ্ট্ৰ বাংলাদেশৰ সাম্প্ৰতিক স্থিতি সন্দৰ্ভত কয় যে, বৰ্তমান প্ৰায় ৯ হাজাৰ শিক্ষাৰ্থীকে ধৰি ১৯ হাজাৰ ভাৰতীয় নাগৰিক বাংলাদেশত আছে। বহুসংখ্যক শিক্ষাৰ্থী ইতিমধ্যে ঢাকাৰ উচ্চ আয়ুক্তৰ উপদেশমৰ্মে যোৱা মাহত দেশলৈ ঘূৰি আহিছে। বিদেশ মন্ত্ৰীগৰাকীয়ে কয় যে, বাংলাদেশৰ সংখ্যালঘুসকলৰ সুৰক্ষাৰ প্ৰতি যদিও ভাৰতে চিন্তা কৰে এই ক্ষেত্ৰত কোনো পদক্ষেপ লোৱাৰ সময়ত আইন শৃংখলা বজাই ৰখাত অধিক গুৰুত্ব দিয়া হ'ব। তেওঁ কয় যে, ভাৰত-বাংলাদেশ সীমান্ত অঞ্চলত সুৰক্ষাৰ ক্ষেত্ৰত অধিক সতৰ্কতা অৱলম্বন কৰা হৈছে।

ইয়াৰ পূৰ্বে চৰকাৰে বাংলাদেশৰ স্থিতি সম্পৰ্কে আলোচনা কৰাৰ বাবে পুৱাৰভাগত এখন সৰ্বদলীয় বৈঠকৰ আহ্বান কৰে। নতুন দিল্লীত অনুষ্ঠিত এই বৈঠকত বিদেশ মন্ত্ৰী ড০ এছ্ জয়শংকৰে নেতাসকলক বাংলাদেশৰ শেহতীয়া ঘটনাক্ৰম সম্পৰ্কে অৱগত কৰে। ড০ জয়শংকৰে সামাজিক মাধ্যমযোগে সৰ্বদলীয় বৈঠকত লাভ কৰা পূৰ্ণ সমৰ্থনৰ শলাগ লয়।

প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিং, গৃহমন্ত্ৰী অমিত শ্বাহ, সংসদীয় পৰিক্ৰমা মন্ত্ৰী কিৰেন ৰিজিজু আৰু কেন্দ্ৰীয় মন্ত্ৰী তথা বিজেপিৰ ৰাষ্ট্ৰীয় সভাপতি জে পি নাড্ডা বৈঠকত উপস্থিত থাকে। লোকসভাত বিৰোধী পক্ষৰ নেতা ৰাহুল গান্ধী, তৃণমূল কংগ্ৰেছৰ নেতা সুদীপ বন্দোপধ্যায়, এন চি পি শাৰদ পাৱাৰ গোটৰ সুপ্ৰীয়া ছুলে, আৰ জে ডি নেত্ৰী নিশা ভাৰতী, এছ্ পি নেতা প্ৰফেছাৰ ৰাম গোপাল যাদৱ আৰু ডি এম কেৰ টি আৰ বালু প্ৰমুখ্যে বিৰোধী পক্ষৰ ভালেসংখ্যক নেতাই বৈঠকত অংশ লয়। তদুপৰি কেন্দ্ৰীয় মন্ত্ৰী তথা জে ডি ইউ নেতা লল্লন সিং, কেন্দ্ৰীয় মন্ত্ৰী তথা জে ডি এছ নেতা এইচ ডি কুমাৰস্বামী, কেন্দ্ৰীয় মন্ত্ৰী তথা টি ডি পি নেতা ৰাম মোহন নাইডু আৰু এল জে পি আৰৰ অৰুণ ভাৰতীয়ে বৈঠকত ভাগ লয়।

০০০০০

মুক্তিযোদ্ধাৰ পৰিয়ালৰ বাবে বিশেষ সংৰক্ষণক কেন্দ্ৰ কৰি বাংলাদেশত উদ্ভৱ হোৱা হিংসাত্মক বিক্ষোভৰ পাছত সংসদ ভংগ হোৱাৰ পৰিপ্ৰেক্ষিতত দেশখনত তৎকালীনভাৱে এখন অন্তৰ্বৰ্তীকালীন চৰকাৰ গঠন হ'ব। দেশখনৰ ৰাষ্ট্ৰপতি মহম্মদ ছাহাবুদ্দিনে কালি সেনা বাহিনীৰ তিনিওটা শাখাৰ মুৰব্বীসকলৰ লগতে বিভিন্ন ৰাজনৈতিক দলৰ নেতা আৰু নাগৰিক সমাজৰ প্ৰতিনিধিৰ সৈতে ঢাকাৰ বংগ ভৱনত হোৱা বৈঠকৰ পাছত এই ঘোষণা কৰে। সেনা বাহিনীয়ে বাংলাদেশৰ সাম্প্ৰতিক অৰাজক পৰিস্থিতি স্বাভাৱিক কৰাৰ ব্যৱস্থা কৰিব বুলিও ৰাষ্ট্ৰপতিগৰাকীয়ে প্ৰকাশ কৰে। এই বৈঠকতে বিভিন্ন গোচৰত দোষী সাব্যস্ত হৈ গৃহবন্দী হৈ থকা বি এন পিৰ অধ্যক্ষ তথা প্ৰাক্তন প্ৰধানমন্ত্ৰী খালেদা জিয়াক মুকলি কৰি দিয়াৰ সিদ্ধান্ত লোৱা হয়। তদুপৰি সাম্প্ৰতিক বিক্ষোভত গ্ৰেপ্তাৰ হোৱা সকলো ছাত্ৰ-ছাত্ৰীকে মুকলি কৰি দিয়াৰ বাবেও ৰাষ্ট্ৰপতি ছাহাবুদ্দিনে নিৰ্দেশ দিয়ে।

প্ৰধানমন্ত্ৰী শ্বেইখ হাছিনাই কালি পদত্যাগ কৰি বিশেষ বিমানেৰে  ঢাকাৰ পৰা দিল্লীত উপস্থিত হয়। ইয়াৰ পাছতে সেনাবাহিনীয়ে তাৎক্ষণিকভাৱে ক্ষমতা নিজৰ হাতলৈ নিয়ে। হাছিনাৰ দেশ ত্যাগৰ পাছতে সেনা প্ৰধান ৱাকাৰ উজ জামানে ৰাষ্ট্ৰক উদ্দেশ্যি ভাষণ দিয়ে আৰু এই ভাষণত এখন তদৰ্থ চৰকাৰ গঠনৰ ঘোষণা কৰে। তেওঁ লগতে আন্দোলনৰত ছাত্ৰ-ছাত্ৰীসকলক শান্ত হ'বলৈ আহ্বান জনায়।

ইপিনে বাংলাদেশৰ অশান্ত পৰিস্থিতিৰ প্ৰতি লক্ষ্য ৰাখি দেশখনৰে সংলগ্ন সীমান্ত অঞ্চলত ভাৰত চৰকাৰে নিৰাপত্তা বৃদ্ধি কৰিছে। ভাৰত বাংলাদেশ সীমান্তত ইতিমধ্যে হাই এলাৰ্ট জাৰি কৰা হৈছে। অসমকে ধৰি বাংলাদেশৰ সৈতে সীমা সংলগ্ন থকা উত্তৰ-পূৰ্বাঞ্চলৰ ৰাজ্য কেইখনৰ সীমান্ত অঞ্চলত বি এছ্ এফে কটকটীয়া নিৰাপত্তা গঢ়ি তুলিছে। সাম্প্ৰতিক পৰিস্থিতিত প্ৰতিবেশী দেশখন ভ্ৰমণ নকৰিবলৈ কেন্দ্ৰীয় চৰকাৰে নাগৰিকসকলক আহ্বান জনাইছে। আনহাতে বাংলাদেশত বসবাস কৰা ভাৰতীয়সকলক ঘৰতে থাকিবলৈ পৰামৰ্শ দি ঢাকাত থকা ভাৰতীয় দূতাবাসৰ সৈতে যোগাযোগত থাকিবলৈ নিৰ্দেশ দিয়া হৈছে। ভাৰত চৰকাৰে বাংলাদেশৰ সৈতে সাময়িকভাৱে বিমান, ৰে'ল আৰু বাছ সেৱা বাতিল কৰিছে। পৰিস্থিতি স্বাভাৱিক নোহোৱালৈকে দেশখনৰ সৈতে কোনো ধৰণৰ যাতায়াত সম্ভৱ নহয় বুলি কেন্দ্ৰীয় চৰকাৰে প্ৰকাশ কৰিছে। একেদৰে নদী সীমান্তৰ সুৰক্ষা ব্যৱস্থাতো গুৰুত্ব দি ফেৰী আৰু নাৱৰ চলাচল বন্ধ কৰি দিয়া হৈছে।

ooooo

মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ অধ্যক্ষতাত আজি দ্বিতীয় ন্যায়িক দৰমহা আয়োগৰ ভাট্টাসমূহৰ সংশোধিত হাৰৰ ওপৰত পৰামৰ্শ আৰু কাৰ্যকৰীকৰণ সন্দৰ্ভত বৈঠক অনুষ্ঠিত হয়। বৈঠকত মন্ত্ৰী ৰণজিৎ কুমাৰ দাসৰ উপৰিও আইন আৰু ন্যায় বিভাগৰ উচ্চ পদস্থ বিষয়াসকলো উপস্থিত আছিল।

ooooo

সমাপ্ত